# তিনিটা মাছৰ কাহিনী ( পঞ্চতন্ত্ৰৰ সাধু )

**প্ৰশ্ন ১। চমুকৈ উত্তৰ দিয়া –**

**( ক ) পুখুৰীটোৰ পাৰত মাছমৰীয়াহঁতে কি কথা পাতিছিল ?**

**উত্তৰঃ** পুখুৰীটোৰ পাৰত মাছমৰীয়াহঁতে এই কথা পাতিছিল যে পুখুৰীটোত বহুদিন কোনেও মাছ মৰা নাই । সিহঁতে তাত মাছ মাৰিলে বহুত মাছ পাব । গতিকে মছিমৰীয়াহঁতে সাোনকালে এদিন তালৈ মাছ মাৰিবলৈ আহিব ।

**( খ ) মাছমৰীয়াহঁতৰ কথা শুনি অনাগত বিধাতাই লগৰীয়া দুটাক কি ক'লে ?**

**উত্তৰঃ** মাছমৰীয়াহঁতৰ কথা শুনি অনাগত বিধাতাই লগৰীয়া দুটাক ক'লে যে , কেইদিনমানৰ ভিতৰতে কেইজনমান মাছমৰীয়াই আহি পুখুৰীটোত মাছ মাৰিব । তেতিয়া সিহঁত আটায়ে মৰিব লাগিব । গতিকে সিহঁতে তাত থকাটো উচিত নহ'ব । নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ হ'লে সিহঁত আটায়ে ওচৰৰ ডাঙৰ বিলখনলৈ গুচি যাোৱাটো ভাল ।

**( গ ) প্ৰত্যুৎপন্নমতিয়ে কেনেদৰে নিজৰ জীৱন ৰক্ষা কৰিলে ?**

**উত্তৰঃ** প্ৰত্যুৎপন্নমতিয়ে বিপদৰ পৰা হাত সৰাৰ উপায় পলকতে ভাবি উলিয়াব পাৰিছিল । মাছমৰীয়াহঁতে আন মাছৰ লগত তাকো জালত পেলাই জালখন পুখুৰীৰ পাৰলৈ উঠাই অনাত সি মৰাৰ ভাও ধৰিলে । মাছমৰীয়াহঁতে তাক মৰা বুলি ভাবি পুখুৰীৰ কাষতে পেলাই থাোৱাত সি এককেজাপে পুখুৰীৰ পানীত পৰিলগৈ । এনেকৈয়ে প্ৰত্যুৎপন্নমতিয়ে নিজৰ জীৱন ৰক্ষা কৰিলে ।

**( ঘ ) অনাগতবিধাতা কেনেদৰে মৰাৰ পৰা ৰক্ষা পৰিল ?**

**উত্তৰঃ** অনাগতবিধাতাই ভালদৰে বুজি পাইছিল যে মাছমৰীয়াহঁতে পুখুৰীটোলৈ এদিন মাছমাৰিবলৈ আহিবই আৰু তেতিয়া সিহঁতৰ বিপদ হাোৱাটো নিশ্চিত । যি হয় হ'ব বুলি ভাবি তাতেই হাত সাৱটি বহি থাকিলে আনবাোৰৰ লগতে সিও মৰিব লাগিব । গতিকে সি তাত বৈ নাথাকি সেই ৰাতিৰ ভিতৰতে আন এখন বিললৈ গৈ মৰাৰ পৰা ৰক্ষা পৰিল ।

**প্ৰশ্ন ২। সাধুটোৰ পৰা শিকিবলগা কথাখিনি পাঁচটা বাক্যত লিখা ।**

**উত্তৰঃ** বিপদ অহাৰ উমান পালে সেই কথাটো আন লগ-বন্ধুকো ক'ব লাগে । সম্ভাব্য বিপদৰ পৰা হাত সৰাৰ উপায় আগতীয়াকৈ ভাবিব লাগে । বিপদ হ'ব বুলি কোৱাৰ

পাছতাে বিপদ নহ'বও পাৰে আৰু হ'লেও সময়ত যি হয় হ'ব বুলি ভবাজনে বিপদত পৰিবই ।

ভৱিষ্যতৰ কথা ভাবিব পৰা জনে সহজে বিপদৰ সন্মুখীন নহয় । উপস্থিত বুদ্ধি যাৰ আছে সি বিপদৰ সন্মুখীন হলেও নিজকে বচাব পাৰে।

**প্ৰশ্ন ৩। সাধুটো নিজৰ ভাষাত লিখা ।**

**উত্তৰঃ** এটা পুখুৰীত আন মাছৰ লগতে অনাগত বিধাতা , প্ৰত্যুৎপন্নমতি আৰু যদ্ভৱিষ্য নামৰ তিনিটা মাছ আছিল । তিনিও ভাল বন্ধু । এদিন কেইজনমান মাছমৰীয়াই সেই পুখুৰীটোত মাছ মাৰিবলৈ আহিব বুলি আলাােচনা কৰা শুনি অনাগত বিধাতাই বন্ধু দুজনক কথাটো ক'লে আৰু প্ৰাণ ৰক্ষাৰ বাবে ওচৰৰ ডাঙৰ বিলখনলৈ গুচি যাােৱাৰ প্ৰস্তাৱ আগবঢ়ালে । তেতিয়া প্ৰত্যুৎপন্নমতিয়ে ক'লে যে জন্মৰে পৰা ডাঙৰ দীঘল হাােৱা পুখুৰীটো বিপদ আহিব বুলি শুনিয়েই সি এৰি নাযায় । বিপদ যেতিয়া আহে তেতিয়া সি চিন্তা কৰিব । আনহাতে যদভৱিষ্যই ক'লে যে কোনাােবা মাছমৰীয়াৰ কথা শুনিয়েই সি পুখুৰীটো এৰি ক'লৈকো নাযায় , সি তাতে থাকিব । বন্ধু দুজনৰ কথা শুনি অনাগতবিধাতা হতাশ হ'ল যদিও নিজৰ প্ৰাণ ৰক্ষাৰ বাবে অলপাে পলম নকৰাকৈ সি সেই ৰাতিয়েই আন এখন বিললৈ গুচি গ'ল ।

এদিন সঁচাকৈয়ে মাছমৰীয়াহঁত আহি আন মাছৰ লগতে প্ৰত্যুৎপন্নমতি আৰু যদভৱিষ্যইকো জালত পেলালে । উপস্থিত বুদ্ধিৰ সহায়ত মৰা ভাও ধৰি প্ৰত্যুৎপন্নমতিয়ে নিজৰ প্ৰাণ ৰক্ষা কৰিলে । কিন্তু যদভৱিষ্যক মাছমৰীয়াহ'তে টাঙােনেৰে কোবাই মাৰি আন মাছৰ লগত ৰচীৰে গাঁঠি লৈ গ'ল । বিপদৰ কথা আগতীয়াকৈ ভাবিব নাােৱৰাসকলৰ এনেদৰেই মৰণ মিলে ।

**প্ৰশ্ন ৪। বাক্য ৰচনা কৰা –**

গাঁঠি , ভাও , হয়ভৰ , টাঙোন

**উত্তৰঃ গাঁঠি :-** মাছমৰীয়াহঁতে মাছবাােৰ জৰীৰে গাঁঠি নিছিল ।

**ভাও :-** প্ৰত্যুৎপন্নমতিয়ে মৰাৰ ভাও জুৰি নিজৰ প্ৰাণ বচাইছিল ।

**হয়ভৰ :-** অনাগত বিধাতাৰ কথাত হয়ভৰ নিদি লগৰীয়া দুজনে নিজৰ বিপদ চপাইছিল ।

**টাঙোন :-** টাঙোনৰ কোবত যদভবিষ্যতৰ সিপুৰীলৈ গৈছিল ।

**প্ৰশ্ন ৫। অৰ্থ লিখা –**

অনাগত বিধাতা , প্ৰত্যুৎপন্নমতি , যদভৱিষ্য

**উত্তৰঃ অনাগত বিধাতা :-** যিয়ে ভৱিষ্যতৰ বিষয়ে ভাবিব পাৰে ।

**প্ৰত্যুৎপন্নমতি :-** যাৰ উপস্থিত বুদ্ধি আছে ।

**যদভৱিষ্য :-** যি হয় হ'ব বুলি ভাবি থকা ।